

দস্তাবেজ ◆ সুকুমাৰ মেধি

## এক ঐতিহাসিক পদক্ষেপ



# অসমীয়া গ্ৰামোফোন ৰেকৰ্ডৰ শতবৰ্ষৰ আৰম্ভণি

**শ**তবৰ্ষ গৰকিলে অসমীয়া গ্ৰামোফোন ৰেকৰ্ডে। কলিকতাৰ হিজ মাষ্টাৰ্ছ ভইচ কোম্পানীত ১৯২৪ চনত এই জয়যাত্ৰা আৰম্ভ কৰিছিল প্ৰফুল্ল চন্দ্ৰ বৰুৱাই। অসমীয়া গীত ৰেকৰ্ড কৰাই নহয় একেলগে গ্ৰামোফোন ৰেকৰ্ড প্ৰকাশ কৰি অসমীয়া সংস্কৃতিৰ জগতত ঐতিহাসিক আৰম্ভণি কৰিছিল বৰুৱাই। প্ৰফুল্ল চন্দ্ৰ বৰুৱাক সশ্ৰদ্ধ স্মৰণেৰে যোৱা ২৭ ছেপ্টেম্বৰত বৰুৱাৰ পৰিয়ালৰ মুখ্য পৃষ্ঠপোষকতাত প্ৰথম অসমীয়া গ্ৰামোফোন শতবৰ্ষ সোঁৱৰণী সমিতিৰ উদ্যোগত লক্ষ্মীৰাম বৰুৱা সদনত এক গুৰু গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানেৰে শতবৰ্ষৰ বৰ্ষজোৰা কাৰ্যসূচীৰ শুভাৰম্ভ হয়। সন্ধিয়া পাঁচ বজাৰপৰা আৰম্ভ হোৱা তিনিঘণ্টীয়া অনুষ্ঠানটোত উপস্থিত আছিল অসমৰ সমাজ, সাহিত্য, সংস্কৃতি জগতৰ কেইবাগৰাকীও পুৰোধা ব্যক্তি।

অধ্যাপক গৌতম শইকীয়াৰ বৰগীতেৰে শুভাৰম্ভ অনুষ্ঠানত প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধা জনায় শতবৰ্ষ সোঁৱৰণীৰ উদ্বোধনী অনুষ্ঠানৰ মুখ্য অতিথি আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ডঃ পীতাম্বৰ দেৱ গোস্বামীয়ে। সমিতিৰ সভাপতি বিশিষ্ট শিল্পী, সাহিত্যিক লোকনাথ গোস্বামীয়ে সভাপতিত্ব কৰা উদ্বোধনী অনুষ্ঠানত সত্ৰাধিকাৰ গোস্বামীৰ লগতে উপস্থিত আছিল অসম সাহিত্য সভাৰ সভাপতি ডঃ সূৰ্যকান্ত হাজৰিকা, ভাৰতীয় প্ৰশাসনীয় সেৱাৰ অৱসৰী বিষয়া স্বপ্নীল বৰুৱা, লোক-সংস্কৃতিবিদ ডঃ দিলীপ কুমাৰ কলিতা, আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অৱসৰী বিষয়া গীতিকাৰ কীৰ্তিকমল ভূঞা, অসমীয়া গানৰ গ্ৰামোফোন ৰেকৰ্ডৰ আন এগৰাকী পুৰোধা ৯৯ বছৰীয়া অমিয় মোহন দাস, ভাৰতীয় প্ৰশাসনীয় সেৱাৰ বিষয়া কুমাৰ সঞ্জয় কৃষ্ণ, সমিতিৰ সাধাৰণ সম্পাদক জাহ্নৱী বৰুৱা প্ৰমুখ্যে প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ পৰিয়ালৰ কেইবাগৰাকীয়ো সদস্য, কেইবাগৰাকীয়ো যশস্বী শিল্পী, অসম প্ৰশাসনীয় সেৱাৰ বিষয়া, গ্ৰামোফোন ৰেকৰ্ড বিশেষভাৱে সংৰক্ষণ কৰি ৰখা দুগৰাকী বিশিষ্ট অসমীয়া দেৱ কুমাৰ বৰা আৰু সতীশ চৌধুৰী।

প্ৰফুল্ল চন্দ্ৰ বৰুৱাক শ্ৰদ্ধাৰে সোঁৱৰণ কৰি সত্ৰাধিকাৰ গোস্বামীয়ে বৰুৱাৰ পৰিয়ালৰ উদ্যোগক প্ৰশংসা কৰি কয়— পিতৃ-পিতামহক এইদৰে স্মৰণ কৰা কাৰ্য আমাৰ সমাজ জীৱনৰ বাবেই এক অনন্য দৃষ্টান্ত। গোস্বামীয়ে অসমীয়া গ্ৰামোফোনৰ শতবাৰ্ষিকীত বিশেষ পদক্ষেপ ল'বলৈ অসম চৰকাৰক অনুৰোধ জনায়। অসম সাহিত্য সভাৰ সভাপতি ডঃ হাজৰিকাৰ শতবৰ্ষৰ বৰ্ষজোৰা অনুষ্ঠান তেজপুৰ, শিৱসাগৰ, কলকাতা আদি স্থানত অনুষ্ঠিত কৰাৰ বাবে আহ্বান জনায়। সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱাৰ যোগ্য উত্তৰসূৰী প্ৰফুল্ল চন্দ্ৰ বৰুৱাসহিতে পৰিয়ালটোৰ লগত অসম সাহিত্য সভাৰ সম্পৰ্ক কৃতজ্ঞতাৰে সোঁৱৰণ কৰি এই শতবৰ্ষৰ সংগতিৰে অসমত এটা ছাউণ্ড আৰ্কাইভৰ পৰিকল্পনাক সাকাৰ ৰূপ দিবলৈ সকলোকে আহ্বান জনায়।


অসমীয়া গ্ৰামোফন ৰেকৰ্ড।

কলিকতা

সভাত অসম-অসমীয়াক চিনাকি কৰাই দিয়াৰ বাবে অহোপুৰুষাৰ্থ কৰা শিল্পী, স্বাধীনতা সেনানী, ব্যৱসায়ী, নেতা প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ জীৱনটোৰ উল্লেখ্য কিছু দিশ বক্তব্যৰে আগবঢ়ায় সমিতিৰ উপদেষ্টা স্বপ্নীল বৰুৱাই। সৌৰভ বৰকাকতিয়ে আঁতধৰা অনুষ্ঠানটোত আদৰণী বক্তব্য আগবঢ়ায় সমিতিৰ উপ-সভাপতি ডঃ দিলীপ কলিতাই। সমিতিৰ সম্পাদিকা জাহ্নৱী বৰুৱাই অনুষ্ঠানৰ উদ্দেশ্য সম্পৰ্কত বক্তব্য আগবঢ়ায়। কীৰ্তিকমল ভূঞা আৰু অমিয় মোহন দাসেও বক্তব্য ৰখা অনুষ্ঠানটোত মুখ্য বক্তাৰূপে বক্তব্য আগবঢ়ায় লোকনাথ গোস্বামীয়ে। অনুষ্ঠানত অন্যতম আকৰ্ষণীয় আছিল দেৱ কুমাৰ বৰাৰ 'নষ্টালজিক' সংগ্ৰহালয় থকা ১৯২৪ চনৰ প্ৰফুল্ল চন্দ্ৰ বৰুৱা কণ্ঠৰ 'ফুলো ফুলিলে' গীত গ্ৰামোফোনযোগে প্ৰদৰ্শন আৰু সদনত উপস্থিত দৰ্শকক শুনোৱা। জ্যোতিপ্ৰসাদ মেধিৰ কণ্ঠৰ গীতেও সভাখনত সুৰগা চৰায়। অসমীয়া গ্ৰামোফোন ৰেকৰ্ডৰ শতবৰ্ষৰ উদ্বোধনী অনুষ্ঠান অসমৰ সাংস্কৃতিক জগতত এক ঐতিহাসিক পদক্ষেপ বুলিব পাৰি।

ভ্ৰাম্যভাষ : ৮৩৯৯৯৪১৭৭৩